**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-MAY-2026 **Time :** 1845 HRS

***Assamese Evening Bulletin***

——————————————————————

## HEADLINES

১। এহেজাৰ কোটি টকাতকৈ অধিক ব্যয়েৰে ৰাজ্য চৰকাৰৰ গুৱাহাটীৰ কৃত্ৰিম বান ৰোধৰ পৰিকল্পনা।

২। কেন্দ্ৰীয় মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক সম্পন্ন।

৩। ৰাজ্যৰ বিভিন্ন জিলাত উন্নয়নমূলক আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা বৈঠক।

৪। সপ্তাহজোৰা জনজাতি গৌৰৱ উৎসৱত জনজাতীয় সমাজৰ সমৃদ্ধ সংস্কৃতি, ঐতিহ্য, পৰম্পৰা আৰু জাতি গঠনত অৱদানক সন্মান।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত জয়পুৰত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি।

০০০০০০০০০

ৰাজ্য চৰকাৰে এহেজাৰ ৪৫৯ কোটি টকা ব্যয়ৰে গুৱাহাটীৰ কৃত্ৰিম বান নিয়ন্ত্ৰণৰ পৰিকল্পনা যুগুত কৰিছে। জি আই এছ্ আধাৰিত পয়ঃপ্ৰণালী আৰু বান ব্যৱস্থাপনা প্ৰকল্পৰ জৰিয়তে গুৱাহাটীক বান সহনশীল আৰু ভৱিষ্যমুখী মহানগৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে নগৰীয়া বান সমস্যাৰ স্থায়ী সমাধান কৰি জনসাধাৰণৰ জীৱন সুচল কৰি তোলাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এই প্ৰকল্পৰ অধীনত স্বয়ংচালিত ভৰলুমুখ পাম্পিং ষ্টেচন, স্মাৰ্ট পকী পয়ঃপ্ৰণালী আৰু নদী পুনৰুজ্জীৱিতকৰণৰ কাম কৰা হ'ব। তদুপৰি ভৰলু আৰু বাহিনী নৈ'ৰ অৱবাহিকাৰ উন্নয়নৰ বাবে ৫০০ কোটি আৰু চাৰে ৯০০ কোটি টকাৰো ব্যয়ৰে কাৰ্য ৰূপায়ন কৰা হ'ব।

০০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনক সাক্ষাৎ কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে সভাপতিগৰাকীৰ সৈতে বিভিন্ন সাংগঠনিক বিষয় আৰু সংকল্প পত্ৰ ৰূপায়নৰ ৰূপৰেখা সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দুষ্যন্ত কুমাৰ গৌতমৰ সৈতেও আলোচনা মিলিত হয়।

০০০০০০০০০

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ

মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু জলশক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰাজ ভূষণ চৌধুৰীও এই অনুষ্ঠানত উপস্থিত থাকে। তদুপৰি কেন্দ্ৰীয় চৰকাৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ শীৰ্ষ বিষয়া আৰু কাৰিকৰী বিশেষজ্ঞইও বৈঠকত অংশ লয়। বৈঠকত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় জলশক্তি মন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

-বাইট-

এই বৈঠকখনত ত্ৰয়োদশ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ ৰূপায়ণৰ স্থিতি পৰ্যালোচনা কৰাৰ উপৰি নদী অৱবাহিকা ব্যৱস্থাপনা পদক্ষেপৰ অগ্ৰগতিৰ বুজ লোৱা হয়। ইয়াৰ লগতে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সামগ্ৰিক কামকাজৰ মূল্যায়ণ কৰি ব'ৰ্ডৰ ভৱিষ্যত কাম-কাজৰ ৰূপৰেখা প্ৰস্তুত কৰা সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি এই বৈঠকত বহনক্ষম জলসংৰক্ষণৰ প্ৰচাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত আৰু থলুৱা জল ব্যৱস্থাপনা পদ্ধতি সম্পৰ্কীয় গ্ৰন্থ আৰু তথ্যচিত্ৰও মুকলি কৰা হয়। বৈঠকত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে ব্ৰহ্মপুত্ৰ ব'ৰ্ডে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল আৰু পশ্চিমবংগত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে।

ooooooooo

মিজোৰামত ভোটদাতাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হৈছে। মুখ্য নিৰ্বাচনী বিষয়া ডঃ লালৰোজামাই কালি আইজলত এই বিষয়ে প্ৰকাশ কৰে। এই প্ৰক্ৰিয়া ৰূপায়ণৰ বাবে এদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীত দিয়া ভাষণত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে দেশৰ নিৰ্বাচন আয়োগ আৰু জনসাধাৰণৰ আকাংক্ষা পূৰণ কৰিব পৰাকৈ এই কাৰ্য সম্পন্ন কৰাত গুৰুত্ব আৰোপ কৰে। নিৰ্বাচনী বিষয়া, ভোটদাতাৰ পঞ্জীয়ন বিষয়া, সহকাৰী পঞ্জীয়ন বিষয়া আৰু জিলা পৰ্যায়ৰ মুখ্য প্ৰশিক্ষকসকলৰ বাবে কালি এই প্ৰশিক্ষণ অনুষ্ঠিত হয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে বিষয়াসকলক নিষ্ঠা আৰু সততাৰে কাম কৰি যাবলৈ আহ্বান জনায়। তেওঁ কয়, যে এজনো যোগ্য ভোটদাতাৰ নাম যাতে তালিকাৰ পৰা বাহিৰ নহয় এই কথাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন। তেওঁ লগতে বি এল অ' সকলক সংশোধনী প্ৰক্ৰিয়াৰ গুৰুত্বপূৰ্ণ অংশ বুলি উল্লেখ কৰি স্বচ্ছতাৰে এই কাৰ্য ৰূপায়ণ কৰাৰ ক্ষেত্ৰত তৎপৰ হ'বলৈ তেওঁলোকক আহ্বান জনায়। উল্লেখযোগ্য যে নিৰ্বাচন আয়োগে ১৪ মে'ত ৰাজ্যখনত বিশেষ পুংখানুপুংখ সংশোধনী সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে।

ooooooooo

ৰাজ্যৰ বিভিন্ন জিলাত উন্নয়নমূলক আঁচনিৰ অগ্ৰগতি পৰ্যালোচনাৰ উদ্দেশ্যে এলানি পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। নগাওঁ জিলাত এই বৈঠকত অংশগ্ৰহণ কৰি জিলা আয়ুক্তই জিলাখনৰ সামগ্ৰিক উন্নয়ন আৰু শিক্ষা আৰু স্বাস্থ্য বিভাগৰ অগ্ৰসৰতাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। কৃষি, লোক নিৰ্মাণ, সমাজ কল্যান, জনস্বাস্থ্য কাৰিকৰী, জলসম্পদ আৰু জলসিঞ্চনৰ দৰে বিভাগসমূহত চলি থকা উন্নয়নমূলক কাম-কাজৰ শেহতীয়া অগ্ৰগতিৰ খতিয়ান লোৱাৰ লগতে এই সভাত অসমাপ্ত কামসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত গুণগত মান অক্ষুন্ন ৰাখি সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

নলবাৰী জিলাৰো বিভিন্ন স্থানত ৰূপায়ণ হৈ থকা উন্নয়নমূলক কাম-কাজসমূহৰ সময় অনুযায়ী ৰূপায়ণ সুনিশ্চিত কৰিবলৈ আজি জিলা উন্নয়ন সমিতিৰ এখন সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। আজিৰ সভাত জনসাধাৰণে যাতে ফলপ্ৰসূ সেৱা লাভ কৰে তাক নিশ্চিত কৰিবলৈ জিলা আয়ুক্তই নিৰ্দেশ দিয়ে। সমন্বিত জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত সভাখনত উন্নয়নমূলক প্ৰকল্প আৰু আঁচনিৰ অগ্ৰগতি তথা ৰূপায়ণৰ স্থিতি

পৰ্যালোচনা কৰা হয়। সভাত জিলা আয়ুক্তৰ লগতে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তসকলৰ লগতে চক্ৰ বিষয়াসকল উপস্থিত থাকে।

তামুলপুৰতো জিলা উন্নয়ন সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভাত বিভিন্ন চৰকাৰী বিভাগৰ উন্নয়নমূলক কাম-কাজ, চলি থকা আঁচনিৰ পৰ্যালোচনা, খালী পদ পূৰণৰ দৰে বিষয়ত বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। সভাখনত বি টিচিৰ সচিব অঞ্চুলা বসুমতাৰীয়ে অংশগ্ৰহণ কৰে। বিষয়াসকলক আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত দায়িত্বশীলভাৱে কাম কৰিবলৈ বি টি চিৰ সচিবগৰাকীয়ে আহ্বান জনায়। ইয়াৰ লগতে বিভিন্ন বিভাগসমূহৰ মাজত সমন্বয় ৰক্ষা কৰি উন্নয়নমূলক কাম-কাজসমূহ আগবঢ়াই নিয়াৰ বিষয়তো আজি আলোচনা কৰা হয়।

ooooooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত সপ্তাহযোৰা কাৰ্যসূচীৰে আয়োজিত জনজাতি গৌৰৱ উৎসৱৰ অংশ হিচাপে আজি কামৰূপ মহানগৰ জিলাৰ ডিমৰীয়া সমজিলাত জনজাতীয় সমাজৰ সমৃদ্ধ সংস্কৃতি, ঐতিহ্য, পৰম্পৰা আৰু জাতি গঠনত তেওঁলোকৰ অৱদানক সন্মান জনোৱা হয়। অনুষ্ঠানটোত ডিমৰীয়া সমষ্টিৰ নৱ নিৰ্বাচিত  বিধায়ক ড০ তপন দাসকে ধৰি ভালেকেইজন বিশিষ্ট  ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানত  অন্তৰ্ভুক্তিমূলক উন্নয়ন, সাংস্কৃতিক সংৰক্ষণ  আৰু জনজাতিসমূহৰ সৱলিকৰণৰ বিষয়ে বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হয়।

শিৱসাগৰ জিলাতো জনজাতি গৌৰৱ উৎসৱৰ অংশ হিচাপে জনভাগিদাৰী অভিযানৰ অধীনত ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত  পশ্চিম পানীদিহিং গাওঁ পঞ্চায়তত জনজাতীয় লোকসকলৰ কল্যানৰ অৰ্থে সজাগতামূলক আৰু জনহিতকৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। বৰপেটা জিলাতো আজি চেঙা উন্নয়ন খণ্ডৰ অন্তৰ্গত সুবাত জনভাগিদাৰীৰ অভিযানৰ অধীনত বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। সুবা ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত এই কাৰ্যসূচীত আজি অঞ্চলটোৰ বিভিন্ন বয়সৰ জনজাতীয় লোকসকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। শতাধিক লোকে এই শিবিৰত অংশগ্ৰহণ কৰে। ইয়াৰ লগতে আজি কৃষি বিভাগৰ পৰাও এটা সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আধুনিক কৃষি ব্যৱস্থা, কৃষি খণ্ডত গ্ৰহণ কৰাৰ চৰকাৰৰ বিভিন্ন আঁচনিৰ বিষয়ে কৃষিজীৱি ৰাইজক কাৰ্যসূচীৰ জৰিয়তে অৱগত কৰা হয়। সামাজিক বনানীকৰণ বিভাগৰ উদ্যোগতো বিভিন্ন মূল্যবান গছৰ পুলি এই অভিযানৰ অংশ হিচাপে বিতৰণ কৰা হয়। নগাওঁ জিলাত জনজাতি গৌৰৱ উৎসৱৰ লগত সংগতি ৰাখি জনভাগিদাৰী অভিযানৰ অধীনত বিভিন্ন ঠাইত  ৰাজহুৱা সভা আৰু সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। বগৰীগুৰি আৰু ৰহাত জল জীৱন আঁচনি, শিক্ষাৰ ক্ষেত্ৰত বিনামূলীয়া কিতাপ আৰু খাদ্য, কৃষি আৰু স্বাস্থ্য খণ্ডত চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰা হয়। বাক্সা জিলাতো জনজাতীয় গৌৰৱ উৎসৱৰ কাৰ্যসূচীত কালিৰে পৰা বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

ooooooooo

দৰং জিলাৰ দলগাওঁ ৰাজহ চক্ৰৰ অন্তৰ্গত বালুগাঁৱত আজি প্ৰশাসনে উচ্ছেদ অভিযান  চলায়। অঞ্চলটোত অবৈধভাবে ৰাজহুৱা ভূমি দখল কৰি একাংশ দোকান-পোহাৰ উচ্ছেদ কৰা হয়। এই দখল সন্দৰ্ভত স্থানীয় ৰাইজে প্ৰশাসনক লিখিত অভিযোগ দাখিল কৰাৰ পাছত দলগাওঁ ৰাজহ চক্ৰ বিষয়া মানসজ্যোতি বৰাৰ নেতৃত্বত এটা দলে বালুগাঁৱত উচ্ছেদ অভিযান চলায়। এই অভিযান সন্দৰ্ভত ৰাজহ চক্ৰ বিষয়া মানসজ্যোতি বৰাই এইদৰে কয়-

-বাইট-

০০০০০০০০০

সেনাবাহিনীত ২০২৭ বৰ্ষৰ বাবে অগ্নিবীৰ, জে চি অ' আৰু আৰ অ' নিযুক্তিৰ বাবে সৰ্বভাৰতীয় অনলাইন সমূহীয়া প্ৰৱেশ পৰীক্ষা চি ই ই, ২০২৬ অহা ১ জুনৰ পৰা ১২ জুনলৈ অনুষ্ঠিত হ'ব। গুৱাহাটীৰ নাৰেংগীৰ সেনা নিযুক্তি কাৰ্যালয়ে এই কথা ঘোষণা কৰিছে।

নিযুক্তিৰ প্ৰক্ৰিয়াৰ বাবে নাম পঞ্জীয়ন কৰা প্ৰাৰ্থীসকলে পৰীক্ষা আৰম্ভ হোৱাৰ ১৪ দিন পূৰ্বে সেনাবাহিনীৰ অফিচিয়েল নিযুক্তি ৱেবছাইট joinindianarmy.nic.in ৰ পৰা প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব।

পঞ্জীয়নকৃত সকলো প্ৰাৰ্থীয়ে তেওঁলোকৰ প্ৰৱেশ পত্ৰসমূহৰ প্ৰিণ্টআউট ৩১ মে'ৰ পূৰ্বে ল'ব লাগিব, কিয়নো সমূহীয়া প্ৰৱেশ পৰীক্ষাত উপস্থিত থকাৰ বাবে প্ৰৱেশ পত্ৰ থকাটো বাধ্যতামূলক। নিযুক্তি প্ৰক্ৰিয়াৰ সৈতে জড়িত শেহতীয়া তথ্য, পৰীক্ষা সম্পৰ্কীয় নিৰ্দেশনা আৰু অন্যান্য গুৰুত্বপূৰ্ণ অধিসূচনাৰ বাবে প্ৰাৰ্থীসকলক নিয়মীয়াকৈ অফিচিয়েল ৱেবছাইট চাবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০০০০০

মিজোৰামৰ ৰাজ্যিক মন্ত্ৰীসভাই ৰাজ্যখনত বহিঃৰাজ্যৰ লোকৰ প্ৰৱেশ নিয়ন্ত্ৰণ আৰু নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰাৰ লক্ষ্যৰে ইনাৰ লাইন পাছৰ নতুন নিৰ্দেশনাত অনুমোদন জনাইছে। আইজলৰ মন্ত্ৰীসভাৰ কক্ষত কালি মুখ্যমন্ত্ৰী লালডুৱমাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। নতুন নিৰ্দেশনা অনুসৰি মিজোৰামত বহিঃৰাজ্যৰ লোকৰ প্ৰৱেশৰ ক্ষেত্ৰত থকা নীতিসমূহ সুশৃংখলিত হ'ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, মিজোৰামৰ এটা নাগৰিক সংগঠন আৰু ব্যৱসায়িক সংস্থাই ইনাৰ লাইন পাৰ্মিট উলংঘা সন্দৰ্ভত অভিযোগ তোলাৰ লগতে এই সন্দৰ্ভত নীতি-নিৰ্দেশনাৰ সংস্কাৰ দাবী কৰিছে।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ে ৰাজহুৱা স্থানৰ পৰা তুলি লোৱা বাটৰ কুকুৰৰ টিকাকৰণ বা বন্ধ্যাকৰণৰ পাছত পুনৰ মুকলি কৰি নিদিবলৈ দিয়া নিৰ্দেশ প্ৰত্যাহাৰ কৰিবলৈ অস্বীকাৰ কৰে। ন্যায়াধীশ বিক্ৰম নাথৰ নেতৃত্বত গঠিত বিচাৰপীঠে ২০২৫ চনৰ নৱেম্বৰত দিয়া পূৰ্বৰ নিৰ্দেশৰ সংশোধন বিচৰা আবেদন খাৰিজ কৰি এনে কুকুৰক আশ্ৰয় শিবিৰত আবদ্ধ কৰি ৰাখিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

শিশু, বৃদ্ধ আৰু ভ্ৰমণকাৰীৰ ওপৰত কুকুৰৰ আক্ৰমণ বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰি ন্যায়ালয়ে কয়, যে ৰাজহুৱা স্থান, বিমানবন্দৰ আৰু আবাসিক এলেকাতসমূহতো ইয়াৰ প্ৰকোপ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বিচাৰপীঠে নিৰ্দেশনা কাৰ্যকৰী নকৰা বিষয়াসকল অনুশাসনমূলক ব্যৱস্থাৰ সন্মুখীন হ'ব পাৰে বুলি সকীয়াই দিয়ে।

ন্যায়ালয়ে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক জীৱ-জন্তু নিয়ন্ত্ৰণ কেন্দ্ৰ স্থাপন, জলাতংক বিৰোধী টীকাকৰণৰ ব্যৱস্থা নিশ্চিত কৰাৰ লগতে বিপজ্জনক বা উন্মাদ কুকুৰৰ ইউথেনেছিয়াকে ধৰি আইনগতভাৱে অনুমোদিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০০০

তামুলপুৰৰ পাগলাদিয়া নদীপাৰত চেৰ্জা ফাউণ্ডেচন তামুলপুৰৰ উদ্যোগত, বন বিভাগ তথা এছ এছ বিৰ ৬৪নম্বৰ বেটেলিয়ানৰ সহযোগত আজি বৃহৎ গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ন কৰা হয়। সমগ্ৰ অঞ্চলটোত ১০লাখ গছপুলি ৰোপণৰ লক্ষ্যৰে গ্ৰহণ কৰা এই অভিলাষী অভিযানৰ প্ৰথম পৰ্যায় আজি বি টি চিৰ পশুপালন

বিভাগৰ কাৰ্যবাহী সদস্য আগষ্টিন তিজ্ঞাই শুভাৰম্ভ কৰে।কাৰ্যসূচীত তামুলপুৰ জিলা বন প্ৰাধিকৰণ বিষয়া ধীৰেন্দ্ৰ নাথ বসুমতাৰীৰ লগতে চেৰ্জা ফাউণ্ডেচনৰ সদস্যসকল উপস্থিত থাকে।

০০০০০০০০০

কোকৰাঝাৰ জিলাৰ শ্ৰীৰামপুৰত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই বাঁহ কটিয়াই অনা এখন ট্ৰাকৰ পৰা ৪২ কাৰ্টন চিগাৰেট জব্দ কৰে। এই কাৰ্টনসমূহত ২১হাজাৰ পেকেট চিগাৰেট অবৈধভাবে বিক্ৰীৰ বাবে অনা হৈছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। ঘটনা সংক্ৰান্তত এজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০০০০

লখিমপুৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিষয়াসকলে উত্তৰ লখিমপুৰ চহৰৰ দৈনিক  বজাৰসমূহত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য আৰু উপলব্ধতাৰ ওপৰত নজৰ ৰাখিবলৈ আজি এটা মূল্য নিৰীক্ষণ অভিযান চলায়। এই অভিযানৰ সময়ত বিষয়াসকলে ব্যৱসায়ী আৰু গ্ৰাহকসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ প্ৰদৰ্শিত মূল্যও পৰীক্ষা কৰে। ইয়াৰ লগতে বাণিজ্যিক ব্যৱস্থা তথা চৰকাৰী নিৰ্দেশনাসমূহ মানি চলিবলৈ ব্যৱসায়ীসকলক অনুৰোধ কৰা হয়।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০০০

অহা ৬ জুনৰ পৰা আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দল বাচনি কৰা হৈছে। আজি গুৱাহাটীত বি চি চি আইৰ এখন বৈঠকত এই দল দুটা বাচনি কৰা হয়। গুৱাহাটীৰ অসম ক্ৰিকেট সন্থাৰ কাৰ্যালয়ত বি চি চি আইৰ সচিব দেৱজিৎ লন শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকৰ পাছত বি চি চি আইয়ে বিশেষ লিংকৰ জৰিয়তে বাচনিপ্ৰাপ্ত ভাৰতীয় দলৰ তালিকা প্ৰকাশ কৰে। এই অনুসৰি আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া টেষ্ট শৃংখলাৰ বাবে শুভমনগীলক অধিনায়ক আৰু  কে এল ৰাহুলক উপ অধিনায়ক হিচাপে লৈ ১৫জনীয়া খেলুৱৈ তালিকা প্ৰকাশ কৰা হৈছে। একেদৰে শুভমন গীলক অধিনায়ক আৰু শ্ৰেয়াছ আয়াৰক উপ অধিনায়ক হিচাপে লৈ এদিনীয়া দলটো ঘোষণা কৰা হৈছে। আফগানিস্তানৰ বিৰুদ্ধে ভাৰতীয় দলটোৱে এখন টেষ্ট মেচ আৰু তিনিখন এদিনীয়া মেচ খেলিব।

০০০০০০০০০

সমাপ্ত